**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-08-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দিল্লী বিধানসভাত দুদিনীয়া অখিল ভাৰতীয় অধ্যক্ষ সন্মিলন আনুষ্ঠানিকভাৱে মুকলি কৰে।

২। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ'ৱে কালি ওড়িশাৰ উপকূলৰ সমীপৰ পৰা প্ৰথমবাৰৰ বাবে সংহত বায়ু প্ৰতিৰক্ষা অস্ত্ৰ প্ৰণালী IADWS ৰ সফল পৰীক্ষণ সম্পন্ন কৰে।

৩। গগনযান শীৰ্ষক মানুহ কঢ়িয়াই নিয়া মহাকাশ উৰণ অভিযান প্ৰথমবাৰৰ বাবে সম্পন্ন কৰিবলৈ ভাৰত সম্পূৰ্ণ সাজু হৈ উঠিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি প্ৰকাশ কৰে। ***আৰু***

৪। ভাৰতৰ চিকিতা তানিপাৰ্থিয়ে কানাডাত অনুষ্ঠিত বিশ্ব যুৱ আৰ্চাৰী প্ৰতিযোগিতাত কম্পাউণ্ড জুনিয়ৰ শাখাৰ গাইগুটিয়া খিতাপ দখলেৰে ইতিহাস ৰচনা কৰিছে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দিল্লী বিধানসভাৰ দুদিনীয়া অখিল ভাৰতীয় অধ্যক্ষ সন্মিলন আনুষ্ঠানিকভাৱে মুকলি কৰে। দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত অধ্যক্ষ হিচাপে বিঠ্ঠলভাই পেটেলে কেন্দ্ৰীয় বিধানসভাৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ শতবৰ্ষৰ সৈতে সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ স্বাধীনতাৰ নিচিনাকৈয়ে স্বাধীনতাৰ পৰৱৰ্তী সময়ত দেশখনক গণতান্ত্ৰিকভাৱে আগবঢ়াই নিয়াটোও সমানেই প্ৰয়োজনীয়। দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত অধ্যক্ষ হিচাপে বিঠ্ঠলভাই পেটেলে ভাৰতীয় দৰ্শনৰ সহায়ত দেশক গণতান্ত্ৰিক পদ্ধতিৰে আগবঢ়াই নিয়াৰ হকে ভেটি স্থাপন কৰি নিজ কাৰ্যত ব্ৰতী হৈছিল বুলি উল্লেখ কৰি তেওঁ সদনৰ মৰ্যাদা ৰক্ষা তথা অধ্যক্ষৰ পদবীৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ প্ৰয়োজনৰ বিষয়টোত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে দেশৰ জনসাধাৰণৰ সমস্যা তথা তেওঁলোকৰ সৈতে সম্পৰ্কিত বিষয়সমূহ নিৰপেক্ষভাৱে উপস্থাপন কৰাৰ বাবে সদনে এখন উপযুক্ত মঞ্চৰ ভূমিকা গ্ৰহণ কৰা উচিত। সদনৰ কাম-কাজ সংশ্লিষ্ট সদনৰ নিজস্ব নিয়ম-নীতিৰে সম্পন্ন হোৱাৰ বিষয়টো নিশ্চিত কৰাটোও প্ৰতিগৰাকী সদস্যৰ দায়িত্ব বুলি তেওঁ লগতে মত প্ৰকাশ কৰে।

অনুষ্ঠানত ভাষণ দি সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে এই দুদিনীয়া অধ্যক্ষ সন্মিলনত প্ৰয়োজনীয় নীতি-নিয়মৰ শিক্ষা গ্ৰহণ কৰাৰ এটা অতিশয় উপযোগী অনুষ্ঠান বুলি অভিহিত কৰে। সংসদীয় গণতন্ত্ৰত সংসদ আৰু বিধানসভাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই দুয়োবিধ সদনত উপযুক্তভাৱে কাৰ্য সম্পাদন নহলে গণতন্ত্ৰক লৈ প্ৰশ্ন উত্থাপিত হ'ব। সংসদ আৰু ৰাজ্য বিধানসভা সমূহত উপযুক্তভাৱে কাৰ্য সম্পাদন হোৱাটো অতিশয় প্ৰয়োজনীয় বুলিও তেওঁ মত প্ৰকাশ কৰে। বিৰোধ আৰু বাধাৰ মাজত পাৰ্থক্য আছে বুলি উল্লেখ কৰি

মন্ত্ৰীগৰাকীয়ে কয়, যে বিৰোধিতা কৰাটো সদস্যসকলৰ অধিকাৰ যদিও সদনৰ কাম-কাজ সম্পাদনক তেওঁলোকে বাধাগ্ৰস্ত কৰিব নোৱাৰে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ৰাজধানীত প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই ঐতিহাসিক অনুষ্ঠানত দেশৰ ভিন ভিন ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষসকলৰ লগতে ৰাজ্যিক বিধান পৰিষদসমূহৰ সভাপতি আৰু উপ-সভাপতিসকলেও অংশগ্ৰহণ কৰিছে। দুদিনীয়া এই সন্মিলন সংশ্লিষ্ট অধ্যক্ষ তথা দায়িত্বপ্ৰাপ্ত ব্যক্তিসকলৰ নিজ নিজ অভিজ্ঞতাৰ বিনিময়ৰ বাবে তথা বিধানসভা আৰু বিধান পৰিষদসমূহৰ কাৰ্য সম্পাদনত সূচল হোৱাকৈ উপযুক্ত ব্যৱস্থা উদ্ভাৱনৰ এখন ফলপ্ৰসূ মঞ্চ হিচাপে পৰিগণিত হৈছে। আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে দেশৰ ২৯ খন ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ আৰু ছখন ৰাজ্যৰ বিধান পৰিষদৰ সভাপতি আৰু উপ-সভাপতিয়ে অংশগ্ৰহণ কৰা এই সন্মিলন উপলক্ষে আয়োজন কৰা অনুষ্ঠানতেই কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এখন বিশেষ প্ৰদৰ্শনীও আনুষ্ঠানিকভাৱে মুকলি কৰে।

এই প্ৰদৰ্শনীত বিঠ্ঠলভাই পেটেলৰ জীৱন, সংসদীয় অৱদান আৰু স্বাধীনতা সংগ্ৰামত নেতাগৰাকীৰ ভূমিকাৰ লগতে ভাৰতীয় সংসদৰ ক্ৰমবিকাশৰ বিষয়টোৱেও স্থান লাভ কৰিছে। তদুপৰি এই সন্মিলনত বিত্ঠলভাই পেটেলৰ এটা স্মাৰক ডাক টিকটো মুকলি কৰা হয়। আজিৰ অনুষ্ঠানত দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি আন বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ'য়ে কালি ওড়িশাৰ উপকূলৰ সমীপৰ পৰা প্ৰথমবাৰৰ বাবে সংহত বায়ু প্ৰতিৰক্ষা অস্ত্ৰ প্ৰণালী IADWS ৰ সফল পৰীক্ষণ সম্পন্ন কৰে। IADWS হ'ল ভূ-পৃষ্ঠৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা থলুৱাভাৱে নিৰ্মিত দ্ৰুত সঁহাৰি ক্ষেপনাস্ত্ৰ, নিচেই কম দূৰত্বভেদী অত্যাধুনিক বায়ু প্ৰতিৰক্ষা প্ৰণালী আৰু নিৰ্দিষ্ট লক্ষ্যত আঘাত হানিব পৰা উচ্চ ক্ষমতাসম্পন্ন লেজাৰ আধাৰিত অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত বহু তৰপীয়া বায়ু প্ৰতিৰক্ষা প্ৰণালী।

পৰীক্ষণ কালত হেলিকপ্তাৰৰ দৰে পাখিযুক্ত মানৱবিহীন আকাশীযান আৰু আকাশমাৰ্গৰ পৰা আলোকচিত্ৰ গ্ৰহণ, নিৰীক্ষণ আৰু আন কামৰ বাবে নিয়োগ কৰা এটাতকৈ অধিক মটৰ আৰু ৰোটাৰ বিশিষ্ট ড্ৰোনসহ তিনিটা ভিন ভিন লক্ষ্যত একেলগে নিখুতভাৱে আঘাত হানে আৰু সম্পূৰ্ণৰূপে ধবংস কৰে। প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থাৰ জ্যেষ্ঠ বিজ্ঞানী আৰু সশস্ত্ৰ বাহিনীসমূহৰ প্ৰতিনিধিসকল পৰীক্ষণকালত উপস্থিত থাকে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই সাফল্যৰ বাবে সামাজিক মাধ্যমযোগে দেশৰ সশস্ত্ৰ বাহিনী আৰু প্ৰতিৰক্ষা উদ্যোগ খণ্ডক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে এই পৰীক্ষণে দেশৰ বহু তৰপীয়া বায়ু প্ৰতিৰক্ষা সামৰ্থ প্ৰমাণিত কৰা বুলি আৰু আকাশমাৰ্গেৰে অহা শত্ৰু পক্ষৰ ভাবুকিৰ বিৰুদ্ধে গুৰুত্বপূৰ্ণ সা-সুবিধাসমূহৰ সুৰক্ষা শক্তিশালী কৰিব বুলি মন্তব্য কৰে।

০০০০

গগনয়ান শীৰ্ষক মানুহ কঢ়িযাই নিয়া মহাকাশ উৰণ অভিযান প্ৰথমবাৰৰ বাবে সম্পন্ন কৰিবলৈ দেশ সাজু হৈ উঠিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি প্ৰকাশ কৰিছে। তেওঁ কয় এয়া কেৱল প্ৰযুক্তিগত সাফল্য নহয়, বৰঞ্চ স্বাৱলম্বী ভাৰতৰ যাত্ৰাৰ এক নতুন অধ্যায়। নতুন দিল্লীত

এই অভিযানৰ বাবে নিৰ্বাচিত হোৱা গগণ্যত্ৰিছ গোটৰ কেপ্টেইন শুভাংশু শুক্লা, প্ৰশান্ত বালাকৃষ্ণন নায়াৰ, অজিত কৃষ্ণন, আৰু অংগদ প্ৰতাপৰ সম্বৰ্ধনা অনুষ্ঠানত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। শ্ৰী সিঙে কয় যে ভাৰতে কেৱল মহাকাশলৈ উপগ্ৰহ প্ৰেৰণ কৰাই নহয় বৰঞ্চ দেশখনে কি কৰিব পাৰে তাকো বিশ্বক দেখুৱাবলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে ইতিমধ্যে চন্দ্ৰ আৰু মংগল গ্ৰহলৈ অভিযান চলাইছে। শ্ৰীসিঙে কয় যে ভাৰতে মহাকাশক কেৱল গৱেষণাৰ ক্ষেত্ৰ হিচাপে নহয়, বৰঞ্চ ভৱিষ্যতৰ বাবে অৰ্থনীতি, নিৰাপত্তা, শক্তি, আৰু মানৱতাৰ চাবিকাঠি হিচাপে গন্য কৰিছে। গ্ৰুপ কেপ্তেইন শুক্লাৰ মহাকাশ অভিযানৰ বিষয়ে আলোকপাত কৰি শ্ৰীসিঙে কয় যে সাধাৰণতে মহাকাশ কাৰ্যসূচীৰ প্ৰশিক্ষণ যথেষ্ট দীঘলীয়া আৰু প্ৰায় ডেৰ-দুবছৰ সময় লাগে যদিও শুভাংশু শুক্লাই মাত্ৰ ডেৰ-দুমাহতে প্ৰশিক্ষণ সম্পূৰ্ণ কৰিলে। তেওঁ কয় যে এই কৃতিত্ব কেৱল তেওঁৰ ব্যক্তিগত সামৰ্থ্যৰ পৰিচায়কেই নহয় বৰঞ্চ ভাৰতীয় লোকৰ কঠোৰ পৰিশ্ৰমী মনকো প্ৰতিফলিত কৰে।

০০০০

বিহাৰৰ ফল্গু, লোকায়ীন আৰু মুহানেকে ধৰি কেইবাখনো নদীৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে নালন্দা, জেহানাবাদ, আৰু গয়া জিলাৰ কেইবাটাও অঞ্চলত আকস্মিক বানৰ কবলত পৰিছে। যোৱানিশা ঝাৰখণ্ডৰ ফল্গু নদীৰ বৃহৎ পৰিমাণৰ পানী এৰি দিয়াৰ পৰিপ্ৰেক্ষিতত এই পৰিস্থিতিৰ উদ্ভৱ হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত জল সম্পদ বিভাগে উচ্চ সতৰ্কতা জাৰি কৰিছে। নালন্দা, জেহানাবাদ আৰু গয়াৰ বহু ঘৰৰ ক্ষয়-ক্ষতিৰ লগতে কৃষিভূমিৰ বিস্তৰ ক্ষতি হৈছে। নটা স্থানত মথাউৰি ক্ষতিগ্ৰস্ত হোৱাৰ বাতৰি পোৱা গৈছে। নালন্দা জিলাৰ মাজেৰে পাৰ হৈ যোৱা লোকায়িন নদীত পানীৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত বান পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিছে। নালন্দাৰ একানগৰচৰাই আৰু হিলছা উন্নয়ন খণ্ডৰ প্ৰায় ১২ খন গাঁৱৰ ৰাইজে বানৰ বাবে ঘৰৰ মুধচ আৰু ওচৰৰ ওখ ঠাইত আশ্ৰয় লৈছে। একানগৰচৰাই-জেহানাবাদ মূল পথৰ লগতে, জেহানাবাদ জিলাৰ মিল্কিপুৰ গাঁৱত বাঢনী পানীয়ে পথটোৰ ওপৰেৰে যান-বাহনৰ চলাচলত বাধাৰ সৃষ্টি কৰিছে। ফলত নলন্দা আৰু জেহানাবাদৰ মাজত প্ৰত্যক্ষ সংযোগ বিচ্ছিন্ন হৈছে। বাঢনী পানীয়ে একাংগাৰছৰাই-মাছৌদি পথটো বুৰাই পেলোৱাৰ ফলত পথছোৱাৰে যাতায়াত বন্ধ হৈ পৰিছে।

জেহানাবাদ জিলাৰ হুলাছগঞ্জ আৰু ঘোষী ব্লকৰ কেইবাটাও অঞ্চল আকস্মিক বানৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। গয়া জিলাৰ ফল্গু, মুহানে, আৰু আন আন নদীৰ বাঢনী পানী বোধগয়াৰ বহু গাঁৱলৈ বিয়পি পৰিছে। জিলা প্ৰশাসনে ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। গয়াৰ জিলা দণ্ডাধীশে বোধগয়াৰ ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বিষয়াসকলক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।০০০০

ভাৰতীয় বেটছমেন চেতেশ্বৰ পূজাৰাই আজি দেশৰ সকলো ধৰণৰ ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে। সাতত্ৰিশ বছৰীয়া বেটছমেনগৰাকীয়ে এটা দশকৰো অধিক সময় ধৰি দলৰ তৃতীয় স্থানত আটাইতকৈ নিৰ্ভৰযোগ্য খেলুৱৈৰ মৰ্যাদা লাভ কৰিছিল। ২০১০ চনত অভিষেক ঘটাৰ পাছত দেশৰ হৈ ১০৩খন টেষ্ট আৰু ৫ খন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত অংশগ্ৰহণ কৰি পূজাৰাই ১৯টা শতক আৰু ৩৫ টা অৰ্ধশতকসহ ৪৩ দশমিক ৬ – ০ গড় ৰানেৰে টেষ্ট ক্ৰিকেটত সাত হাজাৰ ১৯৫ ৰাণ সংগ্ৰহ কৰিছে। ২০২৩ চনৰ জুনত অ'ভেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অনুষ্ঠিত হোৱা বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলখনেই তেওঁৰ শেষ টেষ্ট মেচ আছিল

০০০০

ভাৰতৰ চিকিতা তানিপাৰ্থিয়ে কানাডাত অনুষ্ঠিত বিশ্ব যুৱ আৰ্চাৰী প্ৰতিযোগিতাত কম্পাউণ্ড জুনিয়ৰ শাখাৰ গাইগুটিয়া খিতাপ দখলেৰে ইতিহাস ৰচনা কৰিছে। কালি অনুষ্ঠিত চূড়ান্ত প্ৰতিযোগিতাত দেশৰ প্ৰথমগৰাকী মহিলা খেলুৱৈ হিচাপে তেওঁ এই খিতাপ দখল কৰে। প্ৰতিযোগিতাৰ ২১ বছৰ অনুৰ্ধৰ কম্পাউণ্ড শাখাত তেওঁ কোৰিয়াৰ য়েৰিন পাৰ্কক ১৪২-১৩৬ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে।

০০০০

সমাপ্ত